# Official Spokesperson's response to media queries regarding situation on Armenia-Azerbaijan border

July 17, 2020

---

## আৰমেনিয়া-আজাৰবাইজানৰ সীমান্তৰ পৰিস্থিতি সম্পৰ্কত সংবাদ মাধ্যমে প্ৰক্ষেপ কৰা প্ৰশ্নৰ প্ৰতি চৰকাৰী মূখপাত্ৰৰ সঁহাৰি

জুলাই 17, 2020

সংবাদ মাধ্যমে, আৰমেনিয়া-আজাৰবাইজান সীমান্তৰ পৰিস্থিতি সন্দৰ্ভত কৰা প্ৰশ্নৰ প্ৰতি সঁহাৰি জনাই চৰকাৰী মূখপাত্ৰ শ্ৰী অনুৰাগ শ্ৰীবাস্তৱে কয় যেঃ

আমি, আৰমেনিয়া-আজাৰবাইজান সীমান্তত 12-13 জুলাই তাৰিখে অগ্নেয়াস্ত্ৰ ব্যৱহাৰ হোৱাৰ দৰে বিচলিত কৰা খবৰ লাভ কৰিছো। ভাৰতবৰ্ষ এই পৰিস্থিতি সন্দৰ্ভত চিন্তিত, যি ক্ষেত্ৰীয় শান্তি আৰু সুৰক্ষাৰ প্ৰতি ভাবুকি আনিব পাৰে।

দুয়োপক্ষকে আমি, সীমান্তত সংযম বজাই ৰাখি শান্তি বাহাল ৰখাৰ স্বাৰ্থত পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান জনাইছো। ভাৰতবৰ্ষই বিশ্বাস কৰে যে শান্তিৰে, কূটনৈতিক আলাপ-আলোচনাৰ মাধ্যমেৰেহে কোনো সমস্যাৰ স্থায়ী সমাধান পাব পাৰি।

এই ক্ষেত্ৰত, আৰমেনিয়া-আজাৰবাইজানৰ মাজত অব্যাহত থকা সংঘৰ্ষৰ শান্তিপূৰ্ণ সমাধান বিচাৰি নিৰন্তৰ ভাৱে চেষ্টা অব্যাহত ৰখা অ.এছ.চি.ই. মিনস্ক গ্ৰুপক আমি সমৰ্থন আগবঢ়াইছো।

**নতুন দিল্লী**
**জুলাই 17, 2020**

**DISCLAIMER : This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release**